অসম বিধান সভা

**তৰাযুক্ত প্ৰশ্ন নং ১১২**

**উত্তৰ দিয়াৰ তাৰিখ ১৩/০৭/২০২৬**

বিষয়: চাহ জনজাতি আৰু আদিবাসী জনসাধাৰণৰ কল্যাণ সন্দৰ্ভত।

বিধায়কৰ নাম: শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰঃ

মাননীয় চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

<u>প্ৰশ্ন</u>

(ক) সোণাৰি সমষ্টিৰ অন্তৰ্গত কিমান সংখ্যক সৰু, বৰ চাহ বাগিচা আছে? চাহ জনজাতি আৰু আদিবাসী সকলৰ বাবে সোণাৰি সমষ্টিত সামাজিক, শৈক্ষিক আৰু আৰ্থিক উন্নয়নৰ বাবে বিগত তিনিটা বিত্তীয় বৰ্ষত কি কি আঁচনি ৰূপায়ন কৰিছে?

(খ) উক্ত সময়ছোৱাত সোণাৰি সমষ্টিত চাহ জনজাতি আৰু আদিবাসী লোকসকলৰ বাবে শিক্ষাবৃত্তি, দক্ষতা বিকাশ, স্ব-নিয়োজন, গৃহ-নিৰ্মাণ, বিশুদ্ধ খোৱাপানী, স্বাস্থ্যসেৱা, ৰাস্তা-ঘাট, সামূহিক ভৱন আদি ক্ষেত্ৰত কিমান টকা ব্যয় কৰা হৈছে আৰু কিমানজন হিতাধিকাৰী উপকৃত হৈছে?

(গ) সোণাৰি সমষ্টিৰ চাহ জনজাতি আৰু আদিবাসী অধ্যুষিত অঞ্চল সমূহত শিক্ষাৰ মান উন্নয়ন, নিবনুৱা যুৱক-যুৱতীক কৰ্মসংস্থাপনৰ সুযোগ দিয়াৰ উদ্দেশ্যে বিভাগে কোনো বিশেষ আঁচনি গ্ৰহণ কৰিছে নেকি?

<u>উত্তৰ</u>

মাননীয় চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰী ৰামেশ্বৰ তেলী দেৱে উত্তৰ দিবঃ**

(ক) শ্ৰম কল্যাণ বিভাগৰ পৰা পোৱা তথ্য অনুসৰি সোণাৰি সমষ্টিৰ অন্তৰ্গত সৰু, বৰ চাহ বাগিচাৰ তালিকা <u>**পৰিশিষ্ট 'ক'**</u> ত সংলগ্ন কৰা হ'ল।

চাহ জনজাতি আৰু আদিবাসী সকলৰ সামাজিক, শৈক্ষিক আৰু আৰ্থিক উন্নয়নৰ বাবে বিগত তিনিটা বিত্তীয় বৰ্ষত চাহ জনজাতি আৰু আদিবাসী কল্যান বিভাগৰ জৰিয়তে ৰূপায়ন কৰা আঁচনিসমূহ <u>**পৰিশিষ্ট 'খ'**</u> ত সংলগ্ন কৰা হ'ল।

(খ) উক্ত সময়ছোৱাত সোণাৰি সমষ্টিত চাহ জনজাতি আৰু আদিবাসী লোকসকলৰ কল্যাণৰ বাবে ৰূপায়ণ কৰা আঁচনিসমূহৰ বাবদ ব্যয় হোৱা ধনৰ পৰিমাণ আৰু উপকৃত হিতাধিকাৰীৰ সংখ্যাৰ বিৱৰণ **পৰিশিষ্ট 'গ'** ত সংলগ্ন কৰা হ'ল।

**উল্লেখযোগ্য যে ৰাস্তা-ঘাট আৰু বিশুদ্ধ খোৱাপানীৰ দৰে আন্তঃগাঁথনিমূলক উন্নয়নসমূহ এই বিভাগৰ অধীনত নপৰে।**

(গ) সোণাৰি সমষ্টিত শিক্ষাৰ মান উন্নয়ন আৰু নিবনুৱা যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ বাবে গ্ৰহণ কৰা আঁচনিসমূহ হ'ল:

**শিক্ষাৰ মান উন্নয়নৰ বাবে:-**

১) প্ৰাক-প্ৰৱেশিকা জলপানি

২) চাইমন সিং হৰ'প্ৰৱেশিকোত্তৰ ছাত্ৰ-ছাত্ৰীলৈ বিশেষ জলপানি

৩) প্ৰৱেশিকোত্তৰ জলপানি

৪) উচ্চ শিক্ষাৰ বাবে আৰ্থিক অনুদান

৫) ANM/GNM(নাৰ্ছ)/ কাৰিকৰী শিক্ষা বিষয়ত বিত্তীয় অনুদান

৬) UPSC/APSC দ্বাৰা অনুষ্ঠিত অসামৰিক সেৱাৰ প্ৰাথমিক পৰীক্ষা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীলৈ আৰ্থিক অনুদান

**কৰ্মসংস্থাপন আৰু স্ব-নিয়োজনৰ বাবে:-**

১) শ্বহীদ দয়াল দাস পাণিকা স্বনিয়োজন আঁচনি

*বি. দ্ৰ: **পৰিশিষ্ট 'ক'**, <u>**পৰিশিষ্ট 'খ'**</u> আৰু **পৰিশিষ্ট 'গ'** অসম বিধান সভাৰ ৱেবছাইট <u>https://neva.gov.in</u> ত আপলোড কৰা হৈছে।*

**বিধান সভাৰ প্ৰশ্নোত্তৰ শিতানত উথ্থাপিত মাননীয় বিধায়ক শ্ৰী ধৰ্ম্মেশ্বৰ কোঁৱৰ দেৱে কৰা (ডায়েৰী নং) ৪৪** (ক) **প্ৰশ্নৰ উত্তৰ**

(ক) সোনাৰি সমষ্টিৰ অন্তৰ্গত কিমান সংখ্যক সৰু, বৰ চাহ বাগিচা আছে ? চাহ জনজাতি আৰু আদিবাসী সকলৰ বাবে সোণাৰি সমষ্টিত সামাজিক, শৈক্ষিক আৰু আৰ্থিক উন্নয়নৰ বাবে বিগত তিনিটা বিত্তীয় বৰ্ষত কি কি আঁচনি ৰূপায়ন কৰিছে ?

উত্তৰ : Plantation Labour Act, 1951 ৰ অধীনত পঞ্জীয়ণভুক্ত মুঠ ৪৮ খন চাহ বাগিচা আছে। বাগিচা সমুহ তলত উল্লেখ কৰা হ'ল –

| Sl. No. | Name of Tea Estate | Registered Plantation Area (in Hec) | Area under Cultivation (in Hec) |
|---|---|---|---|
| 1 | Aidaupukhuri Tea State | 132.92 | 92.43 |
| 2 | Aideobarie Tea State | 295.00 | 202.82 |
| 3 | Barasali Tea State | 470.50 | 321.36 |
| 4 | BarbaruakhatTea State | 65.60 | 49.71 |
| 5 | Behubor Tea State | 68.33 | 68.00 |
| 6 | Bemolapur Tea State | 209.96 | 174.41 |
| 7 | Bhuyankhat Tea State | 99.10 | 56.56 |
| 8 | Bishunupur Tea State | 105.05 | 77.09 |
| 9 | Modijipur (B) Part I Tea State | 18.80 | 9.36 |
| 10 | Borhat Tea State | 1213.69 | 568.82 |
| 11 | Borjan Tea State | 47.00 | 30.50 |
| 12 | Borpatra Tea State | 796.62 | 566.64 |
| 13 | Cherideopurbut Tea State | 896.91 | 558.42 |
| 14 | Bortimon Tea State | 185.00 | 143.05 |
| 15 | Dhonekhona Tea State | 59.84 | 45.69 |
| 16 | Ghorajan Tea State | 228.31 | 147.43 |
| 17 | Goduka Tea State | 9.10 | 9.10 |
| 18 | Gujwating Tea State | 83.64 | 63.76 |
| 19 | Hingarajan Tea State | 100.19 | 60.02 |
| 20 | Jaboka Tea State | 785.59 | 539.37 |
| 21 | Kanu Tea State | 1874.00 | 849.38 |
| 22 | Khagorijan Tea State | 128.00 | 106.77 |
| 23 | Kolakata Tea State | 71.00 | 60.00 |
| 24 | Kunwaribari Tea State | 61.00 | 59.43 |
| 25 | Lahori Tea State | 45.70 | 34.82 |
| 26 | Manjushree Tea State | 896.75 | 613.52 |
| 27 | Modijipur (B) Part I Tea State | 38.50 | 25.42 |
| 28 | Timonhabi Tea State | 33.18 | 33.18 |
| 29 | Mojidpur –A Tea State (Part-II) | 35.52 | 26.16 |
| 30 | Mukutabari Tea State | 134.53 | 100.13 |
| 31 | Nagahat Tea State | 85.08 | 73.87 |
| 32 | Namdang Tea State | 52.10 | 46.95 |
| 33 | Napuk Tea State | 873.34 | 623.34 |
| 34 | New Majidpur Tea State | 40.00 | 34.78 |
| 35 | Raidang Tea State | 137.00 | 97.05 |
| 36 | Ratanpur Tea State | 265.68 | 171.50 |
| 37 | Rongabari Tea State | 82.47 | 52.02 |
| 38 | Salkathoni Tea State | 432.53 | 290.20 |
| 39 | Shantipur Tea State | 106.00 | 12.61 |
| 40 | Shree Luxmi Tea State | 22.86 | 2286 |
| 41 | Suffry Tea State | 929.18 | 545.81 |
| 42 | Sonari Tea | 274.60 | 200.94 |
| 43 | Sundarpur Tea State | 400.38 | 238.97 |
| 44 | Tairai Tea State | 29.75 | 29.75 |
| 45 | Timonhabi (A) Tea State | 33.18 | 33.18 |
| 46 | Tingalibam Tea State | 847.45 | 624.47 |
| 47 | Tiok Tea State | 412.23 | 292.05 |
| 48 | Towkak Tea State | 1,576.90 | 751.51 |

বাকী অংশ এই বিভাগৰ আওতাত নপৰে।

**পৰিশিষ্ট – (খ)**

চাহ জনজাতি আৰু আদিবাসী সকলৰ বাবে সোণাৰি সমষ্টিত সামাজিক, শৈক্ষিক আৰু আৰ্থিক উন্নয়নৰ বাবে বিগত তিনিটা বিত্তীয় বৰ্ষত ৰূপায়ন কৰা আচঁনিসমূহ হ'ল:

১) প্ৰাক-প্ৰৱেশিকা জলপানি।

২) চাইমন সিং হৰ' প্ৰৱেশিকোত্তৰ ছাত্ৰ-ছাত্ৰীলৈ বিশেষ জলপানি।

৩) প্ৰৱেশিকোত্তৰ জলপানি।

৪) উচ্চ শিক্ষাৰ বাবে আৰ্থিক অনুদান।

৫) ANM/GNM (নাৰ্ছ)/ কাৰিকৰী শিক্ষা বিষয়ত বিত্তীয় অনুদান।

৬) শ্বহীদ দয়াল দাস পাণিকা স্বনিয়োজন আঁচনি।

৭) মহিলা আত্ম সহায়ক গোটলৈ আৰ্থিক অনুদান।

৮) UPSC/APSC দ্বাৰা অনুষ্ঠিত অসামৰিক সেৱাৰ প্ৰাথমিক পৰীক্ষা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীলৈ আৰ্থিক অনুদান।

৯) যক্ষ্মা, কৰ্কট আৰু অন্যান্য প্ৰধান ৰোগত আক্ৰান্ত ৰোগীলৈ আৰ্থিক অনুদান।

১০) মহাপ্ৰভু জগন্নাথ কমিউনিটি হল ও স্কিল **চেণ্টাৰ** ।

পৰিশিষ্ট (গ) "

| ক্ৰমিক নং | আঁচনিৰ নাম | বিত্তীয় বৰ্ষ | ব্যয় হোৱা ধনৰ পৰিমাণ (টকাত) | উপকৃত হিতাধিকাৰীৰ সংখ্যা |
|---|---|---|---|---|
| ১ | প্ৰাক-প্ৰৱেশিকা জলপানি | ২০২৩-২৪ | ৯,৪৮,০০০.০০ | ৩১৬ |
| | | ২০২৪-২৫ | ৫,০৪,০০০.০০ | ১৬৮ |
| | | ২০২৫-২৬ | ৫,৪০,০০০.০০ | ১৮০ |
| ২ | চাইমন সিং হৰ'প্ৰৱেশিকোত্তৰ ছাত্ৰ-ছাত্ৰীলৈ বিশেষ জলপানি | ২০২৩-২৪ | ৫৫,০০,০০০.০০ | ৫৫০ |
| | | ২০২৪-২৫ | ৩৭,০০,০০০.০০ | ৩৭০ |
| | | ২০২৫-২৬ | ৩৪,৭০,০০০.০০ | ৩৪৭ |
| ৩ | প্ৰৱেশিকোত্তৰ জলপানি | ২০২৩-২৪ | ৪৫,৩৭,০০০.০০ | ৭৫৯ |
| | | ২০২৪-২৫ | ৪৯,৮৭,০০০.০০ | ৮৩৯ |
| | | ২০২৫-২৬ | ৪৯,৩৯,০০০.০০ | ৮১১ |
| ৪ | উচ্চ শিক্ষাৰ বাবে আৰ্থিক অনুদান | ২০২৩-২৪ | ২৮,৮০,০০০.০০ | ১১০ |
| | | ২০২৪-২৫ | ২৪,১০,০০০.০০ | ৯১ |
| | | ২০২৫-২৬ | ৪০,০৫,০০০.০০ | ১৫১ |
| ৫ | ANM/GNM(নাৰ্ছ) / কাৰিকৰী শিক্ষা বিষয়ত বিত্তীয় অনুদান | ২০২৩-২৪ | ১৬,০৯,০০০.০০ | ১২৮ |
| | | ২০২৪-২৫ | ১০,৮২,০০০.০০ | ৭৭ |
| | | ২০২৫-২৬ | ১৫,১০,০০০.০০ | ১৫৩ |
| ৬ | শ্বহীদ দয়াল দাস পাণিকা স্বনিয়োজন আঁচনি | ২০২৩-২৪ | ১,০১,৭৫,০০০.০০ | ৪০৭ |
| | | ২০২৪-২৫ | _ | _ |
| | | ২০২৫-২৬ | ২,৩০,২৫,০০০.০০ | ৯২১ |
| ৭ | যক্ষ্মা, কৰ্কট আৰু অন্যান্য প্ৰধান ৰোগত আক্ৰান্ত ৰোগীলৈ আৰ্থিক | ২০২৩-২৪ | _ | _ |
| | | ২০২৪-২৫ | ৫,৬৫,০০০.০০ | ১৭ |
| | | ২০২৫-২৬ | ২,৩০,০০০.০০ | ৭ |
| ৮ | UPSC/APSC দ্বাৰা অনুষ্ঠিত অসামৰিক সেৱাৰ প্ৰাথমিক পৰীক্ষা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীলৈ আৰ্থিক অনুদান | ২০২৩-২৪ | Nil | Nil |
| | | ২০২৪-২৫ | Nil | Nil |
| | | ২০২৫-২৬ | ১,৫০,০০০.০০ | ২ |
| ৯ | মহিলা আত্ম সহায়ক গোটলৈ আৰ্থিক অনুদান | ২০২৩-২৪ | ১৪,৭৫,০০০.০০ | ৫৯ |
| | | ২০২৪-২৫ | Nil | Nil |
| | | ২০২৫-২৬ | Nil | Nil |
| ১০ | মহাপ্ৰভু জগন্নাথ কমিউনিটি এণ্ড স্কিল চেন্টাৰ | ২০২৩-২৪<br>২০২৪-২৫<br>২০২৫-২৬ | ১৪,২৪,৪৪,০১৩.০০ | সোণাৰি সমষ্টিত ১৭ খন মহাপ্ৰভু জগন্নাথ কমিউনিটি এণ্ড স্কিল চেন্টাৰ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছিলে আৰু ইয়াৰে ৮ খন কেন্দ্ৰৰ নিৰ্মাণকাৰ্য কাম সম্পূৰ্ণ হৈছে। |
| | | **সৰ্বমুঠ** | ২২,০৬,৮৫,০১৩.০০ | **৬৪৬৩** |

Digitally signed by
Smt Kanta Das
Date: 11-07-2026
সঞ্চালক

চাহ জনজাতি আৰু আদিবাসী কল্যাণ সঞ্চালকালয়

অসম, ,গুৱাহাটী-৩২